No. of Printed Pages—2 **1143 (PDCAP)**

[23-HKPD1SNP-24 M]

MA 1st Semester (NEP) Exam. 2023 (W)

ASSAMESE (DSC)

(অসমীয়া ভাষা ঃ পৰিচয় আৰু ক্ৰমবিকাশ)

[AS S1 -03]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজায় ? ভাষাৰ দুটা বিজ্ঞানসম্মত বৰ্গীকৰণৰ বিষয়ে আলোচনা কৰক ।

(*b*) পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়ালসমূহৰ পৰিচয় দাঙি ধৰক । ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান সম্পৰ্কে আলোচনা কৰক ।

(*c*) ইণ্ডো–ইউৰোপীয় ভাষাৰ শ্ৰেণী বিভাজন আৰু ইয়াৰ বিভিন্ন শাখাসমূহৰ বিষয়ে আলোচনা কৰক আৰু ভাৰতীয় আৰ্য্যভাষাৰ সৈতে সম্পৰ্ক কি লিখক ।

(*d*) ভাৰতবৰ্ষত প্ৰচলিত আৰ্য্য ভিন্ন ভাষাসমূহৰ বিষয়ে এটি চমু আলোচনা দাঙি ধৰক ।

(*e*) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰক । ইয়াৰ ক্ৰমবিকাশৰ স্তৰবোৰ উল্লেখ কৰক ।

(*f*) অসমীয়া ভাষাত চীন তিব্বতীয় ভাষাগোষ্ঠীৰ উপাদান সম্পৰ্কে আলোচনা কৰক ।

(*g*) আধুনিক যুগৰ অসমীয়া ভাষাৰ বিভিন্ন স্তৰবোৰ আলোচনা কৰক । চৰিত সাহিত্যৰ ভাষাৰ আভাস দি টোকা প্ৰস্তুত কৰক ।

(*h*) অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ আৰু ইয়াৰ শ্ৰেণীবিভাজন দেখুৱাওক । । উপভাষা সৃষ্টিৰ মূল কাৰণবোৰ কি বুলি ভাৱে আলোচনা কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $4 \times 5 = 20$

(*a*) মধ্য যুগটোক মূলতঃ অসমীয়া গদ্য সাহিত্যৰ বিকাশৰ যুগ বুলি কিয় কোৱা হয় আলোচনা কৰক ।

(*b*) চৰ্য্যাপদৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক ।

(*c*) বুৰঞ্জী সাহিত্যৰ ভাষা সম্পৰ্কে চমুকৈ লিখক ।

(*d*) অৰুণোদয় স্তৰৰ অসমীয়া ভাষা সম্পৰ্কে এটি চমু টোকা লিখক ।

(*e*) নৃগোষ্ঠীয় উপভাষা বুলিলে কি বুজায় ? নৃগোষ্ঠীয় উপভাষা সম্পৰ্কে এটি পৰিচয়মূলক টোকা লিখক ।

(*f*) উত্তৰকালৰ অসমীয়া ভাষাৰ নিদৰ্শন ক'ত আৰু কেনেদৰে দেখিবলৈ পোৱা যায় আলোচনা কৰক ।